Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১০

অৰুণিমা সিনহা



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ - ২

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বাচেন্দ্রি পালে তেওঁৰ সকলো কথা সহমর্মিতাৰে শুনিলে। ছোৱালীজনীৰ দুচকুৰ সপোন, প্রত্যাহ্বান আৰু আত্মপ্রত্যয়ৰ ভাবে তেওঁৰ মনতো বিশ্বাস জগালে যে সঠিক প্রশিক্ষণ আৰু সাহস পালে এইগৰাকী ছোৱালীয়ে নিশ্চয় এদিন লক্ষ্যত উপনীত হ'ব পাৰিব। তেওঁৰ আকাংক্ষা দেখি বহুজনে তেওঁক পৰামর্শ দিছিল- বোলে তোমাৰ এখন কৃত্রিম ভৰি, আনখন থাকিও নথকাৰ দৰে। পর্বতাৰোহণৰ যিবিলাক অতি কঠিন কৌশল, আৰু পৰিশ্রম তাত এনেকুৱা অৱস্থাৰে সাফল্য লাভ কৰা তোমাৰ বাবে সম্ভৱ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নহ'বগৈ। তাতৈকৈ সাধাৰণভাৱে জীৱনটো পাৰ কৰা, এনেবিলাক কামলৈ আগবাঢ়ি জীৱনটো বিপদাপন্ন কৰিব নালাগে।

পিছে যাৰ দুচকুত এভাৰেষ্ট বিজয়ৰ সপোন আৰু অন্তৰত প্ৰচণ্ড সাহ আৰু আত্মবিশ্বাস তেওঁক জানো এনেবোৰ কথাই লক্ষ্যৰপৰা বিচ্যুত কৰিব পাৰে! লক্ষ্যত স্থিৰ হৈ থাকি দিনে দিনে অৰুণিমা আগবাঢ়ি গ'ল। আগতে লগোৱা কৃত্ৰিম ভৰিখন পৰ্বতাৰোহণৰ বাবে উপযোগী নাছিল। নতুন ভৰি লগাবলৈও প্ৰায় যাঠি-সত্তৰ হেজাৰ টকাৰ আৱশ্যক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বহু চেষ্টাৰ মূৰত সেইখিনিও যোগাৰ হ'ল। কেবাগৰাকীয়ো সহৃদয় ব্যক্তিয়ে সহায় কৰিলে। সঁচাকৈয়ে এদিন দেখা গ'ল- এখন কৃত্রিম ভৰি আৰু আনখন লোৰ ৰডৰ সহায়ত চলাফিৰা কৰা ভৰিৰ গাভৰু গৰাকীয়ে মনত অদম্য উৎসাহ আৰু দুচকুত হেজাৰ সপোন লৈ উত্তৰ কাশীত থকা ইকো এভাৰেষ্ট এক্সপেডিচন গ্রুপত যোগ দিলেগৈ। টাটা ষ্টীল এডভেঞ্চাৰ ফাউণ্ডেচনে চলোৱা অনুশীলন কেম্পত এভাৰেষ্ট বিজয়িনী বাচেন্দ্রি পালৰ তত্ত্বাৱধানত অনুশীলন চলিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শাৰীৰিক, মানসিক দুয়ো দিশতে দৃঢ়তা আৰু অধ্যৱসায় একোৰে অভাৱ নাছিল অৰুণিমাৰ। ভৰিখন হেৰুওৱাৰ দুর্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰাৰ প্ৰতিজ্ঞা সফল কৰিবলৈ উঠি-পৰি লাগিছিল তেওঁ। প্ৰায় এবছৰ কাল একে লেথাৰিয়ে উৎসাহ-উদ্যমেৰে অহৰহ চেষ্টা অব্যাহত ৰাখি অনুশীলনতে আত্মসমৰ্পণ কৰিছিল তেওঁ। কেতিয়াবা এনেকুৱাও হৈছিল যে আন স্বাভাবিক মানুহে যিটো খোজ দিওঁতে দুই মিনিটতে শিকিব পাৰে, তেওঁৰ ক্ষেত্ৰত সেয়া তিনিঘণ্টাও লাগিছিল। তথাপিও আশা এৰি দিয়া নাছিল অৰুণিমাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁক পৰ্বতাৰোহণ অভিযানত সহায় কৰা শ্বেৰপাজনেও আনকি তেওঁৰ তেজেৰে তুমৰলি হোৱা ভৰিৰ অৱস্থা দেখি কেবাবাৰো প্ৰাণ বচাবলৈকে তেওঁক উভতি যোৱাৰ পৰামৰ্শ দিছিল। অৰুণিমাই হ'লে কোনো বাধা-বিপত্তিৰ ওচৰত সেও মানিবলৈ শিকা নাছিল।

অৱশেষত লাডাখত থকা মাউন্ট চামছেৰ কাংৰিৰ ২১, ১০৮ ফুট উচ্চতালৈ আৰোহণ কৰিবলৈ সক্ষম হ'ল তেওঁ। পিছে চামছেৰ কাংৰিৰ উচ্চতম শিখৰলৈ উচ্চতা আছিল ২১,৭৯৮ ফুট। সেই সময়ত বতৰো আছিল

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অত্যন্ত প্ৰতিকূল। এনে প্ৰতিকূল বতৰত অভিযান চলোৱা অসম্ভৱ হৈ পৰাত শিখৰলৈ মাত্ৰ ৬৯০ ফুট অতিক্ৰম কৰিবলৈ বাকী থাকোঁতে তেওঁলোকে অভিযান সামৰি তললৈ নামি আহিবলগীয়া হ'ল। পিছে সেই অসম্পূৰ্ণতাই তেওঁৰ মনৰ পূৰ্বৰ সংকল্প অধিক দৃঢ়হে কৰিলে। তেওঁৰ মনত মাউন্ট এভাৰেষ্ট জয়ৰ আকাংক্ষা তীব্ৰতৰ হ'ল। এই সময়ছোৱাত তেওঁৰ মনোবল বঢ়াই লক্ষ্যত উপনীত হোৱাৰ বাবে আগবাঢ়ি যোৱাত প্ৰখ্যাত ক্ৰিকেটাৰ যুৱৰাজ সিঙেও অনুপ্ৰাণিত কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কৰ্কট ৰোগত আক্ৰান্ত যুৱৰাজ সিঙে নিজৰ অদম্য মানসিক শক্তিৰে সেই বেমাৰৰ পৰা আৰোগ্য লাভ কৰি নিজৰ লক্ষ্য পূৰণৰ বাটত আগুৱাই যাবলৈ সক্ষম হোৱাটো অৰুণিমাই দেখিবলৈ পাইছিল। যুৱৰাজে দেখুৱাই দিছিল- মনৰ বল আৰু আত্মবিশ্বাস থাকিলে শাৰীৰিক বাধাই কোনো প্ৰতিৰোধৰ সৃষ্টি কৰিব নোৱাৰে আৰু জীৱনৰ উত্তৰণৰ বাটতো ই হেঙাৰ হ'ব নোৱাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেই কষ্টকৰ সময়ছোৱাত তেওঁক মনোবল অটুট ৰাখি আগবাঢ়ি যোৱাত সহায় কৰিছিল তেওঁৰ ভ্ৰাতৃ আৰু বাচেন্দ্ৰি পালেও।

মাউন্ট চামছেৰ কাংৰিৰ শিখৰত উপস্থিত হ'ব নোৱৰাৰ বেদনাই অৰুণিমাৰ মনোবল কমাই পেলাব নোৱাৰিলে। বৰং তেনে অৱস্থাৰে ২১,১০৮ ফুট ওপৰলৈ যাব পৰা কথাষাৰে মাউন্ট এভাৰেষ্টলৈ যাব পৰাটো যে সম্ভৱপৰ সেইটো অধিক দৃঢ়তাৰে সাব্যস্ত কৰিলে। এইবাৰ মাউন্ট এভাৰেষ্ট বগাবলৈ সাজু হ'ল অৰুণিমা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মাউন্ট এভাৰেষ্টৰ শৃংগত থিয় হৈ ফটো তোলাৰ, ভিডিঅ'ৰ জৰিয়তে বিশ্ববাসীক নিজৰ বিৰল অভিজ্ঞতাৰ বিষয়ে জনোৱাৰ অভিপ্ৰায়েৰে তেওঁ দুটাকৈ কেমেৰা লগত লৈ গৈছিল। লৈছিল পানী আৰু অক্সিজেন। চাৰি নং কেম্প পাওঁতে দুয়োখন ভৰিৰপৰা তেজ নিগৰি ভয়ঙ্কৰ অৱস্থা হৈছিল। লগত নিয়া অক্সিজেনো প্ৰায় শেষ হওঁ হওঁ হৈছিলগৈ। লগত যোৱা শ্বেৰপাজনে অৰুণিমাক বাৰে বাৰে যে যিকোনো মুহূৰ্তত অক্সিজেন শেষ হৈ যাব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেতিয়া আৰু মৃত্যুক সাৱটি লোৱাৰ বাহিৰে আন কোনো উপায় নাথাকিব। পিছে অৰুণিমাই কৈছিল, 'ইমানখিনিলৈ আহি আৰু উভতি যোৱাৰ প্ৰশ্ন নুঠে। যি হয় দেখা যাব।'

অদম্য সাহস আৰু উৎসাহেৰে তেওঁ আগবাঢ়ি গৈ আছিল। তেজ নিগৰি থকা আঁঠু দুটাৰপৰা ৰুমালেৰে তেজ মছি মছি আগুৱাই গৈ থাকোঁতে বাটত বহুতো অভিযাত্ৰীৰ মৃতদেহ দেখা পাইছিল তেওঁ। কিন্তু একোৱে তেওঁক নিৰস্ত্ৰ কৰিব পৰা নাছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৫২ ৮৮৪৮ মিটাৰ

প্ৰচণ্ড পৰিশ্ৰম, অদম্য মনোবল আৰু কষ্টসহিষ্ণুতাৰ ফল অৱশেষত ফলিল। কাঠমাণ্ডুৰপৰা যাত্ৰা আৰম্ভ কৰাৰ বাৰন দিনৰ অন্তত নিশা প্ৰায় আঠ বজাত তেওঁ ৮৮৪৮ মিটাৰ উচ্চতাত অৱস্থিত মাউন্ট এভাৰেষ্টৰ শৃঙ্গত পদাৰ্পণ কৰিবলৈ সক্ষম হ'ল। বহুতো অভিযাত্ৰীৰে সেইখিনি পোৱালৈকে লগত নিয়া অক্সিজেন প্ৰায় শেষ হওঁ হওঁ হয়গৈ। সেয়ে এভাৰেষ্টৰ বুকুত ভৰি থৈ তেওঁলোকে খৰখেদাকৈ নামি আহিবলৈ বাধ্য হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কাৰণ, অক্সিজেন শেষ হোৱাৰ আগতে ওপৰৰ নামি অহা বাটৰ প্ৰথমটো কেম্প পাবগৈ লাগিব। অৰুণিমাৰো অক্সিজেন শেষ হ'বলগীয়া হৈছিল। লগত যোৱা শ্বেৰপাজনক মাউন্ট এভাৰেষ্টৰ শিখৰত থিয় হৈ থকা অৱস্থাত তেওঁৰ ফটো আৰু ভিডিঅ' ল'বলৈ অনুৰোধ কৰিছিল।

শ্বেৰপাজনে পিছে তাত বেছি সময় থাকিলে প্ৰাণৰ সংশয় হ'ব বুলি তেওঁক বুজাই ভাৰতৰ জাতীয় পতাকা সাৱটি ধৰা অৰুণিমাৰ ফটো তুলি দিছিল। প্ৰায় ডেৰ ঘণ্টাকাল তেওঁ এভাৰেষ্টত আছিল। তাৰিখটো আছিল ২১ মে', ২০১৩ চন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এনে স্মৰণীয় সাফল্যৰ বাবে ভাৰত চৰকাৰে ২০১৫ চনত তেওঁক 'পদ্মশ্ৰী' সন্মানেৰে বিভূষিত কৰে। তেতিয়াৰ সন্মানীয় ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াৰ পৰা তেওঁ এই সন্মান লাভ কৰাৰ উপৰিও একেগৰাকী ৰাষ্ট্ৰপতিৰ পৰা ২০১৫ চনৰ 'টেনজিং নৰগে সন্মান' লাভ কৰে। ২০১৪ চনত তেওঁ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ডঃ এ পি জে আব্দুল কালামৰ পৰা 'এমেজিং ইণ্ডিয়ান এৱাৰ্ড' লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অৰুণিমাই লিখা কিতাপ উন্মোচন কৰি তেওঁক ভূয়সী প্ৰশংসা কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভিন ভিন সময় আৰু ভিন ভিন পৰিৱেশত এইদৰে একোগৰাকী ব্যক্তিয়ে নিজ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰজনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা কঢ়িয়াই আনে। তেনে আশা আৰু প্ৰেৰণাই বহুজনক আনন্দ দিয়ে, হতাশা দূৰ কৰে আৰু আগলৈ পুনৰ নতুন উদ্যমেৰে আগবাঢ়ি গৈ লক্ষ্যত উপনীত হ'বলৈ সাহস যোগায়। এইক্ষেত্ৰত আমি একলব্যৰ কাহিনী মনত পেলাব পাৰোঁ। তেওঁ নিজৰ সাধনা আৰু একাগ্ৰতাৰ বলত সিদ্ধি লাভ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মনত পেলাব পাৰোঁ মহাভাৰতৰ তৃতীয় পাণ্ডৱ অর্জুনৰ একাগ্রতা আৰু ধৈর্যৰ বিষয়ে। শব্দভেদী বাণ মাৰিবলৈ শিকিবলৈ তেওঁ গোটেই নিশা ঘিটমিটীয়া আন্ধাৰৰ মাজত গভীৰ অৰণ্যৰ ভিতৰলৈ গৈ তাত শব্দ অনুসৰণ কৰি কাঁড় মাৰিবলৈ অভ্যাস কৰি কৃতকার্য হৈছিল। স্টিফেন হকিঙৰ দৰে বিশেষভাৱে সক্ষম বিজ্ঞানী গৰাকীয়ে সমগ্র বিশ্ববাসীৰ হৃদয় জয় কৰিছিল তেওঁৰ বিৰল প্রতিভাৰ জৰিয়তে। অৰুণিমা সিন্‌হাৰ দৰে লক্ষগৰাকী আমাৰ মাজত আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কেৱল তেওঁলোকৰ মাজত লুকাই থকা প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সামান্য আশ্বাস, সহমৰ্মিতা আৰু সহায়ৰ প্ৰয়োজন। অৰুণিমাৰ নিজৰ ভাষাত, 'মই মাত্ৰ এজনী অৰুণিমা নহয়, মোৰ দৰে হেজাৰ বিজাৰ অৰুণিমা আছে, আপোনালোকে সেইসকলক চিনাক্ত কৰি জীৱনৰ বাটত আগবাঢ়ি যাবলৈ, লক্ষ্যভেদ কৰিবলৈ প্ৰেৰণা যোগালে সঁচা অৰ্থত দেশৰ কাম কৰা হ'ব।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

জীৱনৰ সফলতা তথা উন্নতিৰ মূলমন্ত্ৰ হ'ল প্ৰচণ্ড ইচ্ছাশক্তি আৰু দৃঢ়তা। প্ৰবল ইচ্ছাশক্তিয়ে লক্ষ্যত উপনীত হোৱাৰ বাটত থকা অনেক প্ৰত্যাহ্বান হেলাৰঙে অতিক্ৰম কৰাত সহায় কৰে। উত্তৰ প্ৰদেশৰ অৰুণিমা সিন্‌হা নামৰ চাব্বিছ বছৰীয়া যুৱতী এগৰাকীয়ে অসাধ্য সাধন কৰি বিশ্বৰ আগত উদাহৰণ দাঙি ধৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল খেলুৱৈ অৰুণিমা সিন্‌হাই লক্ষ্ণৌৰ পৰা দিল্লী অভিমুখী ৰে'লযাত্ৰাত দুৰ্বৃত্তৰ কবলত পৰি এখন ভৰি চিৰদিনলৈ হেৰুৱালগীয়া হৈছিল। আনখন ভৰিতো লোৰ ৰড সুমুৱাই চলা-ফিৰা কৰিবলগীয়া হৈছিল। হেৰুওৱা ভৰিখনৰ ঠাইত কৃত্ৰিম ভৰি লগাবলগীয়া হৈছিল। অথচ দুৰন্ত সাহস আৰু আত্মবিশ্বাসক সাৰথি কৰি অৰুণিমাই নিজৰ শাৰীৰিক প্ৰতিবন্ধকতা নেওচি এভাৰেষ্ট বিজয়ৰ সপোন দেখিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইতিমধ্যে এভাৰেষ্ট বিজয় কৰা বাচেন্দ্রি পালৰ পৰামৰ্শ, সহায় আৰু প্রশিক্ষণৰ বলত অৰুণিমাই নিজকে পর্বতাৰোহণৰ বাবে সাজু কৰিছিল আৰু অৱশেষত ২০১৩ চনৰ ২১ মে'ত এভাৰেষ্ট আৰোহণ কৰি নিজৰ সপোন দিঠকত পৰিণত কৰিছিল।

যি সময়ত শাৰীৰিক প্রতিবন্ধকতাক সহস্রজনে নিজৰ দুর্ভাগ্যৰূপে জ্ঞান কৰি আহিছে, তেনে সময়তে নিজৰ অধ্যৱসায়ৰ জৰিয়তে দুর্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰি জগতলৈ চানেকি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দেখুৱাইছে অৰুণিমা সিন্‌হাই। অৰুণিমাৰ জীৱন কাহিনী নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎসস্বৰূপ।



Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো






১। চিকিৎসালয়ৰ পৰা ওলাই গৈ অৰুণিমাই কাক আৰু কিয় লগ ধৰিছিল?

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। মাউন্ট এভাৰেষ্টত অৰুণিমাই কেতিয়া আৰোহণ কৰিছিল? তেওঁ তাত কিমান সময় ধৰি আছিল?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। অৰুণিমা সিন্‌হাৰ কোনবিধ খেলত বিশেষ দক্ষতা আছিল?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৪। মাউন্ট এভাৰেষ্ট শৃঙ্গৰ উচ্চতা কিমান ?

